# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এখন সৰ্বাত্মক সমাজ গঢ়ি তোলাৰ বাবে গণতন্ত্ৰতকৈ ডাঙৰ কোনো আহিলা নাই বুলি প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী মোদী নাইজেৰিয়া, ব্ৰাজিল আৰু গায়েনাৰ সফল ভ্ৰমণ সামৰি নতুন দিল্লীলৈ বুলি ৰাওনা হৈছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৰা হায়দৰাবাদত চতুৰ্থ লোক্ মন্থন মহোৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰিব।

৪। পাকিস্তানৰ খাইবাৰ পাখটুনখ্ৱা প্ৰদেশত নিৰ্বিচাৰ গুলীচালনাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৫ লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেল আজি কিছুসময়ৰ পাছত পাৰ্থত আৰম্ভ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এখন সৰ্বাত্মক সমাজ গঢ়ি তোলাৰ বাবে গণতন্ত্ৰতকৈ ডাঙৰ কোনো আহিলা নাই বুলি প্ৰকাশ কৰিছে। গায়েনাৰ সংসদ নেচনেল এচেম্বলিৰ বিশেষ অধিৱেশনত ভাষণ দি শ্ৰীমোদীয়ে কালি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে বিশ্ব আগবঢ়াই নিয়াৰ বাবে গণতন্ত্ৰ প্ৰথম, মানৱতা প্ৰথম সবাতোকৈ শক্তিশালী মন্ত্ৰ। গণতন্ত্ৰ আমাৰ ডি এন এ, দৃষ্টিভংগী আৰু আচৰণত আছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। বিশ্বজোৰা সংকটৰ সময়ত প্ৰথমে সঁহাৰি জনোৱা দেশ হিচাপে ভাৰতৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতে কেতিয়াও সম্প্ৰসাৰণবাদী মনোভাৱেৰে কাম কৰা নাই। ভাৰতে সৰ্বতো প্ৰকাৰে গোলকীয় উন্নয়ন আৰু শান্তিৰ সপক্ষে থিয় দি আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। তেওঁ কয়, যে এই ভাৱনাৰে ভাৰত সম্প্ৰতি গ্ল'বেল ছাউথ হিচাপে পৰিচিত আৰ্থিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত ৰাষ্ট্ৰসমূহৰ কণ্ঠ হৈ উঠিছে। তেওঁ লগতে গোলকীয় প্ৰেক্ষাপটৰ উদ্ধৃতিৰে বৰ্তমানৰ সময় সংঘৰ্ষৰ নহয়, বৰং এনে সংঘৰ্ষৰ বাবে দায়ী পৰিস্থিতিসমূহ চিনাক্ত কৰি সেইসমূহ দূৰ কৰাৰহে সময় বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদ, নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু চাইবাৰ অপৰাধকে ধৰি বৰ্তমান বিশ্ব সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ কথা স্বীকাৰ কৰে। ভৱিষ্যত প্ৰজন্মৰ বাবে উন্নত ভৱিষ্যত গঢ় দিবলৈ আমি সকলো একেলগে এই সমস্যাসমূহৰ বিৰুদ্ধে যুঁজ দিব লাগিব বুলি শ্ৰীমোদীয়ে মন্তব্য

কৰে। তেওঁ কয়, যে ভাৰতৰ মানৱতা প্ৰথম মন্ত্ৰই ব্ৰাজিলত আয়োজিত জি-২০ শীৰ্ষ সন্মিলনকে ধৰি বিভিন্ন মঞ্চত গ্ল'বেল ছাউথ দেশসমূহৰ কণ্ঠ তুলি ধৰিবলৈ অনুপ্ৰেৰণা যোগায়।

ভাৰত আৰু গায়েনাৰ মাজৰ বিশেষ সম্পৰ্কৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে প্ৰায় ১৮০ বছৰ পূৰ্বে প্ৰথমগৰাকী ভাৰতীয় দেশখনত উপস্থিত হৈছিল। তেতিয়াৰে পৰা দেশ দুখনৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে আৰু গায়েনাত থকা ভাৰতীয় আগমণ স্মাৰক এই সম্পৰ্কৰ প্ৰতীক। শ্ৰীমোদীয়ে লগতে তেওঁক গায়েনাৰ সৰ্বোচ্চ সন্মান প্ৰদান কৰাৰ বাবে দেশখনৰ জনসাধাৰণৰ শলাগ লয়।

প্ৰধানমন্ত্ৰীয়ে গোলকীয় প্ৰগতি আৰু সমৃদ্ধিৰ বাবে মহিলাৰ নেতৃত্বত হোৱা বিকাশত অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে একবিংশ শতিকাত গোলকীয় সমৃদ্ধি সুনিশ্চিত কৰাৰ ক্ষেত্ৰত মহিলাসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তেওঁ লগতে শিক্ষা আৰু উদ্ভাৱণৰ ক্ষেত্ৰত দুয়ো দেশৰ মাজত অধিক বিনিময়ৰ বাবে আহ্বান জনায় যাতে যুৱ প্ৰজন্মৰ সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰ কৰিব পৰা যায়।

গায়েনা ভাৰত আৰু লেটিন আমেৰিকাৰ মাজত সুযোগৰ সেঁতু হ'ব পাৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে দেশখনৰ সাংসদসকলক ভাৰতলৈ আহিবলৈ আমন্ত্ৰণ জনায়। প্ৰধানমন্ত্ৰী মোদী গায়েনাৰ সংসদৰ বিশেষ অধিৱেশনত ভাষণ দিয়া প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী। অধ্যক্ষ মঞ্জুৰ নাদিৰে এই অধিৱেশনৰ আহ্বান জনায়। পাছত প্ৰধানমন্ত্ৰীয়ে জৰ্জটাউনৰ প্ৰোমেনেড গাৰ্ডেনত থকা মহাত্মা গান্ধীৰ আৱক্ষ মূৰ্তিত পুষ্পমাল্য তৰ্পণ কৰে। মহাত্মা গান্ধীৰ ১০০ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি ১৯৬৯ চনত এই মূৰ্তিটো স্থাপন কৰা হৈছিল। প্ৰধানমন্ত্ৰীয়ে লগতে আৰ্য সমাজ স্মাৰকতো পুষ্পাঞ্জলি তৰ্পণ কৰে। গায়েনাত আৰ্য সমাজ আন্দোলনৰ ১০০ বছৰৰ স্মৃতিত ২০১১ চনত এই স্মাৰকটো স্থাপন কৰা হৈছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি গায়েনাৰ সৰস্বতী বিদ্যা নিকেতন বিদ্যালয় পৰিদৰ্শন কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে দুই দশকৰো পূৰ্বে বিদ্যালয়খন ভ্ৰমণৰ কথা সোঁৱৰে আৰু স্বামী আকাশৰানন্দ আৰু তেওঁৰ দলে শিক্ষাৰ্থীৰ মাজত পৰম্পৰাগত ভাৰতীয় মূল্যবোধ আৰু সংস্কৃতিৰ বীজ সিঁচি দিয়াৰ লগতে সামগ্ৰিক শিক্ষাৰ দিশতো যোগোৱা অৰিহণাৰ শলাগ লয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত দশকত ভাৰতৰ যাত্ৰা পৰিসৰ, গতি আৰু বহনক্ষমতাৰ যাত্ৰা বুলি অভিহিত কৰিছে। গায়েনাৰ জৰ্জটাউনৰ ৰাষ্ট্ৰীয় সাংস্কৃতিক কেন্দ্ৰত ভাৰতীয় মূলৰ লোকসকলৰ এটা সমাৱেশ সম্বোধন কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০১৪ চনত ভাৰত বিশ্বৰ দশম সৰ্ববৃহৎ অৰ্থ ব্যৱস্থা আছিল আৰু মাত্ৰ ১০ বছৰত দেশ পঞ্চম সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰূপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰী মোদী নাইজেৰিয়া, ব্ৰাজিল আৰু গায়েনাৰ সফল ভ্ৰমণ সামৰি নতুন দিল্লীলৈ বুলি ৰাওনা হৈছে।

ooooo

৫৬ বছৰৰ বিৰতিৰ অন্তত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে গায়েনা ভ্ৰমণ কৰিছে আৰু সেয়েহে এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ। বিদেশ মন্ত্ৰালয়ৰ প্ৰাচ্যৰ সচিব জয়দীপ মজুমদাৰে জৰ্জটাউনত সংবাদ মাধ্যমৰ আগত এই মন্তব্য প্ৰকাশ কৰিছে। সংবাদ মেলত তেওঁ বিগত ডেৰ বছৰত ভাৰত

আৰু গায়েনাৰ সম্পৰ্কৰ ক্ৰমবৰ্ধমান গুৰুত্বত আলোকপাত কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত বিকশিত আৰু গভীৰ সম্পৰ্ক সৃষ্টি কৰিলে।

ভ্ৰমণকালত শ্ৰীমোডী আৰু গায়েনাৰ ৰাষ্ট্ৰপতি ড° ইৰফান আলীৰ মাজত হোৱা আলোচনাত উভয় দেশৰ সম্পৰ্কৰ সম্পূৰ্ণ পৰিসৰ সামৰি লোৱা হয় বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে আলোচনাকালত হাইড্ৰ'কাৰ্বন, শক্তি, স্বাস্থ্য আৰু ঔষধ, কৃষি, ডিজিটেল সহযোগিতা, সংস্কৃতি, প্ৰতিৰক্ষা আৰু নিৰাপত্তা অধ্যয়নৰ লেখীয়া ক্ষেত্ৰসমূহৰ দহটা চুক্তি স্বাক্ষৰিত হয়।

সচিবগৰাকীয়ে কয়, যে ভাৰত-কেৰিকম সন্মিলনত ৰাষ্ট্ৰগোষ্ঠীটোৰ সদস্য দেশসমূহৰ নেতাসকলে ক'ভিড-১৯ মহামাৰীৰ সময়ত ভাৰতৰ সমৰ্থনৰ শলাগ লয়। মহামাৰীৰ সময়চোৱাত এই দেশসমূহলৈ ভাৰতে প্ৰতিষেধকৰ লগতে চিকিৎসাৰ সৈতে জড়িত অন্যান্য সাহায্যও আগবঢ়াইছিল বুলি তেওঁ উল্লেখ কৰে। কেৰিকম ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশসমূহৰ নেতাসকলে প্ৰধানমন্ত্ৰী মোডীৰ পদক্ষেপে তেওঁলোকৰ দেশৰ প্ৰয়োজন প্ৰত্যক্ষভাৱে পূৰণ কৰা বুলি স্বীকাৰ কৰাৰ বিষয়ে সচিবগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে ৰাষ্ট্ৰগোষ্ঠীটোৰ ভালেকেইগৰাকী নেতাই ভাৰতক কেৰিকম ৰাষ্ট্ৰগোষ্ঠীৰ ঘনিষ্ঠ সদস্য হিচাপে গণ্য কৰে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেঞ্জৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৱা হায়দৰাবাদৰ শিল্পৰমমত চতুৰ্থ লোক্ মন্থন মহোৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই আন্তঃৰাষ্ট্ৰীয় সাংস্কৃতিক মহোৎসৱ প্ৰথমবাৰৰ বাবে দাক্ষিণাত্যত অনুষ্ঠিত হৈছে। প্ৰজ্ঞাবাহিনীয়ে আয়োজন কৰা এই মহোৎসৱত প্ৰায় ১২ খন দেশৰ কলা-কুশলী, সাংস্কৃতিক প্ৰতিনিধি আৰু বিদ্বানে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কালি হায়দৰাবাদত ১ কোটি বন্তি প্ৰজ্বলনৰ অনুষ্ঠান কোটি দ্বীপোৎসৱমত অংশগ্ৰহণ কৰে। এই উপলক্ষে ৰাষ্ট্ৰপতিগৰাকীয়ে সৰ্বাত্মক উন্নয়ন আৰু সাংস্কৃতিক সংৰক্ষণৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে দেশবাসীক ভাৰতক নিৰন্তৰ বিকাশত আগুৱাই লৈ যোৱাৰ সংকল্প গ্ৰহণ কৰিবলৈ কয়।

০০০০০

পাকিস্তানৰ খাইবাৰ পাখটুনখ্ৱা প্ৰদেশৰ কুৰ্ৰম জিলাত কালি যাত্ৰীবাহী বাহনক লক্ষ্য কৰি বন্দুকধাৰীয়ে চলোৱা নিৰ্বিচাৰ গুলীচালনাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৫ লৈ বৃদ্ধি পাইছে। এই ঘটনাত অন্য ২০ জন লোক আহত হৈছে। পাকিস্তানৰ অভ্যন্তৰীন মন্ত্ৰী মোহ্ছিন নাকভিয়ে আফগানিস্তান সীমন্তৱৰ্তী জিলাখনত সংঘটিত আক্ৰমণত হতাহতৰ সংখ্যাৰ বিষয়ে নিশ্চিত কৰিছে। জিলা আৰক্ষী আৰু হাস্পতালৰ সূত্ৰৰ পৰা জানিব পৰা মতে হতাহতসকলৰ ভিতৰত সুৰক্ষা কৰ্মী, মহিলা আৰু শিশুও আছে। এই ঘটনাত নিহত লোকৰ সংখ্যা বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। আৰক্ষীয়ে এই ঘটনাৰ সৈতে জড়িত আক্ৰমণকাৰীসকলক কৰায়ত্ত কৰাৰ বাবে অভিযান আৰম্ভ কৰিছে। অৱশ্যে এতিয়ালৈকে কোনো সন্ত্ৰাসবাদী গোটে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাই।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেল আজি কিছুসময়ৰ পাছত পাৰ্থত আৰম্ভ হ'ব। ভাৰতীয় দলৰ নিয়মীয়া অধিনায়ক ৰোহিত শৰ্মাই ব্যক্তিগত অসুবিধাৰ বাবে প্ৰথম টেষ্টত অংশগ্ৰহণ কৰিব নোৱাৰাৰ বাবে যশপ্ৰীত বুমৰাই দলটোক নেতৃত্ব দিব। ভাৰতীয় দলৰ আন এগৰাকী আগশাৰীৰ বেটচমেন শুভমন গীলেও আঘাতৰ বাবে প্ৰথম টেষ্টত ভাগ ল'ব নোৱাৰে। ৰোহিত শৰ্মাই দেওবাৰে ভাৰতীয় দলত যোগ দিয়াৰ সম্ভাৱনা আছে। খেলুৱৈগৰাকীয়ে দ্বিতীয়খন টেষ্টত দলক নেতৃত্ব দিব।

২০২৩-২৫ বৰ্ষৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পূৰ্বে এয়া ভাৰতৰ অন্তিমটো শৃংখলা হ'ব। মুঠ পাঁচটা দল ফাইনেলৰ দৌৰত আছে। ভাৰতে অন্য দলৰ ফলাফলৰ ওপৰত নিৰ্ভৰ নকৰাকৈ ফাইনেলত স্থান নিশ্চিত কৰিবলৈ হ'লে শৃংখলাত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৪-০ অথবা ৫-০ ফলাফলত জয়ী হ'ব লাগিব।

ooooo

ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ লক্ষ্য সেন আজি চলিত বৰ্ষৰ চাইনা মাষ্টাৰ্ছ প্ৰতিযোগিতাৰ শ্বেনজেনত হ'বলগীয়া পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ এণ্ডাৰছ এণ্টনছেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত ভাৰতীয় খেলুৱৈগৰাকীয়ে কালি ডেনমাৰ্কৰ ৰাছমাছ গেমকেক ২১-১৬, ২১-১৮ গেমত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

ইপিনে প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত ভাৰতৰ আগশাৰীৰ যুটি চিৰাগ শ্বেট্টী আৰু সাত্বিকচাইৰাজ ৰণকিৰেড্ডী কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ কিম এষ্ট্ৰুপ আৰু এণ্ডাৰছ স্কাৰুপ ৰাছমুচেনৰ যুটিটোৰ মুখামুখি হ'ব। কালি অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটিটোৱে ডেনমাৰ্কৰ ৰাছমাছ কায়া আৰু ফ্ৰেডেৰিক ছ'গাৰ্ডৰ বিৰুদ্ধে ২১-১৯, ২১-১৫ গেমত জয়লাভ কৰিছিল।

ooooo

**সমাপ্ত**